
গদ্য

# মই কিয় কবিতা লিখোঁ?

## হৰেকৃষ্ণ ডেকা

মই কিয় কবিতা লিখোঁ এই প্ৰশ্নটোৰ বেলেগ-বেলেগ ধৰণৰ উত্তৰ হ'ব পাৰে। মোৰ এটা উত্তৰ আছে। মোৰ মনৰ কিছুমান ভাব-অনুভূতি প্ৰকাশৰ কাৰণে মই কবিতাৰ শৈলীৰ মাজত বিশেষ সম্ভাৱনা দেখা পাওঁ আৰু সেই বিশেষ ভাব-অনুভূতিখিনি প্ৰকাশ কৰিবলৈ মই কবিতাৰ আশ্ৰয় লওঁ। সৰুৰে পৰা চৰ্চা কৰি মই দেখিছোঁ যে কবিতাৰ ভাষাতেই ন্যূনতম শব্দৰ ব্যৱহাৰেৰে প্ৰগাঢ় অৰ্থ প্ৰকাশ কৰিব পাৰি আৰু কবিতাৰ ইঙ্গিতপূৰ্ণ ভাষাই সাধাৰণ অৰ্থক অতিক্ৰম কৰি মাত্ৰাবিশিষ্ট অৰ্থক্ষেত্ৰ এখন সৃষ্টি কৰে। পোণপটীয়া অৰ্থক অতিক্ৰম কৰাৰ ফলত যি ৰসৰ সৃষ্টি হয়, সেই ৰস শব্দসজ্জাৰ সীমিত ক্ষেত্ৰত আৱদ্ধ হৈ নাথাকে। ই এক অনিৰ্দিষ্ট সংকেত-ক্ষেত্ৰ সৃষ্টি কৰে আৰু পাঠকৰ মনক সমৃদ্ধ কৰে। প্ৰশ্ন উঠিব পাৰে, কবিৰ ভাব-অনুভূতিৰ প্ৰকাশ যদি এনে এক সীমিত ক্ষেত্ৰত ঘটে, কবি জীৱন-জগতৰ জীয়া অভিজ্ঞতাৰ পৰা দূৰলৈ আঁতৰি এক কল্পজগতৰহে বাসিন্দা হৈ নপৰেনে? পোণপটীয়াকৈ সুধিব লাগিলে প্ৰশ্নটো হ'ব— ঘটনা-বহুল বাস্তৱ জীৱন কবিতাৰ উপকৰণ নহয় নেকি?

গদ্যসাহিত্যৰ বিভিন্ন শাখাত—বিশেষভাৱে গল্প আৰু উপন্যাসত—বাস্তৱ জীৱনৰ কিছুমান আৰ্হি পোৱা যায়। চৰিত্ৰৰ সংঘাত কল্প-কথাৰ মাজত ঘটে, কিন্তু সেই সংঘাতত বাস্তৱ জীৱনৰ প্ৰতিচ্ছবি একোখন পোৱা যায়, তাত ঘটনাই নাটকীয় মোৰ ল'ব পাৰে, কিন্তু সি বাস্তৱানুগ নহ'লে বিশ্বাসযোগ্য নহয়। কবিতাত এই সংঘাতৰ ক্ষেত্ৰ কবি-মন, তাৰ আলাপ, সংলাপ, সংঘাত কবিৰ অন্তৰ্জগতত ঘটে আৰু তাৰ প্ৰকাশ ইঙ্গিতপূৰ্ণ হৈ শব্দত ৰূপান্তৰিত হয়। ফলত কবিতাৰ প্ৰাথমিক স্তৰত যি অৰ্থৰ সৃষ্টি হয়, সি ইঙ্গিতৰ মাজেদি আন এক আয়তন পায়। কবিতা যিহেতু শব্দৰ অভিধা-ক্ষেত্ৰৰ সীমা চেৰাই দ্যোতনা-সমৃদ্ধ হ'ব পাৰে, সেই হেতুকে মই কবিতা লিখাৰ প্ৰতি আগ্ৰহ অনুভৱ কৰি আহিছোঁ।




আধুনিক কবিতাৰ পৰীক্ষা-নিৰীক্ষাৰ সময়ছোৱাত এটা ধাৰণাৰ সৃষ্টি হৈছিল যে কবিতাই প্ৰকাশ ( express)হে কৰে, এই প্ৰকাশে আনক আলোড়িত কৰিব পাৰে, কিন্তু কবিৰ প্ৰকাশৰ লক্ষ্য উদ্দেশ্য-প্ৰণোদিত সংযোগ ( communication) নহয়। মোৰ সৃষ্টি কাৰ্যত মই প্ৰকাশ কৰা ( express) আৰু পাঠকৰ মনৰ লগত অৰ্থপূৰ্ণভাৱে সংযোগ ক'ৰা ( meaningfully communicate) দুয়োটাকে লক্ষ্য হিচাবে লৈ আহিছোঁ। এটা কবিতাত কবি হিচাবে মোৰ লক্ষ্য কি বিশেষভাৱে প্ৰকাশ কৰিছোঁ:

**লক্ষ্য**

তুমি সুধিছিলা মোৰ লক্ষ্য কি?
যদি প্ৰত্যেকৰে এক লক্ষ্য থাকে,
মোৰ লক্ষ্য তুমি।
এজন কবিৰ বাবে পাঠকতকৈ ডাঙৰ লক্ষ্য নাই।
হে পাঠক,
তুমি মোৰ কবিতাৰ অনিশ্চিত
শেষ স্থান।
তাৰ পিছৰ ঠাই তোমাৰ।
কবি তাত নাই।

মোৰ কবিতাক মই যি অৰ্থ দিওঁ,
তুমি হয়তো তাতকৈ বেলেগ অৰ্থ কৰা।
তোমাৰ অৰ্থত তোমাৰ তাৎপৰ্য।
তাত মোৰ অধিকাৰ নাই।

কিন্তু মোৰ কবিতাৰ স্বত্ব!
সেই স্বত্ব নিৰঙ্কুশ মোৰ।
কিন্তু তুমি পাঠক,
তোমাৰ পাঠক মই বাধা দিব নোৱাৰোঁ।
আৰু তাত মই কোনো স্বত্ব নিবিচাৰোঁ।
কাৰণ তুমি য'ত আছা তাত মই নাই–
মোৰ কবিতাৰ পাঠৰ পৰা মই ইতিমধ্যে
আঁতৰি আহিছোঁ।
তথাপি পাঠক, তুমি যদি আছা
মই লক্ষ্য ভেদ কৰিব পাৰিছোঁ।

হে পাঠক, তুমি পঢ়ুৱৈ নহ'বা,
পাঠক হোৱা।
কিন্তু পাঠ সৃষ্টি কৰিব নোৱাৰিলে
(নিজৰ বাবে বা আনৰ বাবে)
তুমি পাঠক হ'ব নোৱাৰিবা।

পঢ়ুৱৈ, তুমিয়েই কেতিয়াবা
কবিতাৰ মৃত্যুৰ বাবে দায়ী হোৱা।
কেৱল তুমি নিজে নাজানা।

মোৰ কবিতাৰ পাঠকক মই লগ নাপাব পাৰোঁ, চিনি নাপাব পাৰোঁ, কিন্তু মোৰ কল্পনাত পাঠক থাকে। মোৰ কবিতা কেৱল নিজৰ লগত আলাপ নহয়, স্বগতোক্তি নহয়, ই সহমৰ্মী পাঠকৰ মনৰ লগত সংযোগ কৰাৰো প্ৰয়াস।

আন এষাৰ কথাও ইয়াত ক'ব খুজিছোঁ। মই কিয় কবিতা লিখোঁ—এইটো এটা বিশেষ ধৰণৰ প্ৰশ্ন। এই প্ৰশ্নটোৰ আগতে আন এটা প্ৰশ্নৰো উত্তৰ দিয়াৰ প্ৰয়োজন আছে। তেনে ধৰণৰ প্ৰশ্নৰ সমুখীন মই হৈছোঁ। সেই প্ৰাথমিক প্ৰশ্নটো হ'ল, "মই কিয় লিখোঁ?"

বেলেগ-বেলেগ সময়ত এই প্ৰশ্নটোৰ সমুখীন হওঁতে মই সেইবোৰ সময়ত মনলৈ অহা ভাব অনুসৰি বেলেগ-বেলেগ উত্তৰ দি আহিছোঁ। অসম উপত্যকা সাহিত্য বঁটা ২০১০ চনত গ্ৰহণ কৰোঁতে মই এই প্ৰশ্নটোক কেন্দ্ৰ কৰিয়েই এটা দীঘলীয়া বক্তৃতা লিখিত আকাৰত দিছিলোঁ। সেই কথাখিনি ইয়াত আৰু নতুনকৈ ক'ব নোখোজোঁ। কিন্তু পিছত মই এটা কবিতাও লিখিছিলোঁ। সেই কবিতাটোৰেই মই মোৰ ব্যক্তব্যৰ সামৰণি মাৰিব খুজিছোঁ:

**আপুনি কিয় লিখে?**

'ককা, আপুনি কিয় লিখে?'
সৰু ছোৱালীজনীয়ে সুধিলে।
মই কিয় লিখোঁ এই প্ৰশ্নটোৰ বহুত উত্তৰ
দি আহিছোঁ।
যিটো উত্তৰ মই দিয়া নাই সেইটো হ'ল,
শব্দবোৰ আছে কাৰণে মই লিখোঁ।
তাত মই সোমাওঁ,
আৰু তোমালোকৰ চকুৰে তাত মোক দেখা পোৱা।
কিন্তু তোমালোকৰ কাণেৰে গৈ ভিতৰত যে
বাহ বান্ধো তোমালোকৰ বহুতেই চাগে নাভাবাই।
তোমালোকৰ ভিতৰলৈ অহৰ্নিশে জাকে জাকে শব্দ
সোমায়েই আছে আৰু কিমানযে জাজৰি হৈছে!
মোৰ বাহটো কেতিয়াবা তাত ভাগি পৰে।
কিন্তু মোৰ কিছুমান শব্দ যায় তোমালোকৰ শুই থকা চেতনাত
খোঁচা-বিন্ধা কৰিবলৈ,
তোমালোকৰ টোপনি ভাগক বা নাভাগক।

অৱশ্যে তাতকৈ সৰল উত্তৰ এটা আছে।
আচলতে কিয় লিখোঁ জানানে?
শব্দবোৰে যেতিয়া মনৰ ভিতৰত উখল-মাখল কৰে
মই সিহঁতক উলিয়াই দিব খোজোঁ
আৰু মোৰ লিখিবৰ মন যায়।
সেয়ে মই লিখোঁ।